উঠা সভ্যতাৰ সোপানে আমাক বিলীন কৰে। বিংশতি জোৰা সভ্যতাৰ বিনিময়ে আমাক পাগল কৰি তোলে।

মইনো কি উত্তৰাধিকাৰী স্বত্ব পাইছো। মই কিহৰ উত্তৰাধিকাৰী ? নে হাজাৰ হাজাৰ বছৰ জোৰা আনন্দ বিষাদ জয় গৌৰবৰ অভিযান আবিস্কাৰ কৰিছো। নে মোৰ অভিযানতে মানুহৰ মনৰ বিকাশ সাধন হৈছে ?

ভাৰতবৰ্ষত তেজ মঙহৰ সমন্ধত বংশানুক্ৰমে উত্তৰাধিকাৰী স্বত্ব পাই আহিছে। মই মোৰ লিখনিৰ পাতনি মেলি যি বিষয়ে মোক আকৰ্ষণ কৰিছে তাকেই ওপৰে ওপৰে লিখি থৈছো। মোৰ লিখনিয়ে আনক কিবা সহায় কৰেনে নকৰে নাজানো। কিন্তু মোৰ নিজৰ মন পৰিস্কাৰ কৰিবৰ কাৰণেই মই লিখিছো। নিজৰ দেশৰ লগত মই ওতঃপ্ৰোতঃ ভাবে জড়িত। এই সম্বন্ধই মোক দেশৰ লগত খাপ খুৱাই মোৰ মানসপটত মোৰ জনমভূমিৰ এখনি চিত্ৰপট দাঙ্গি ধৰিছে। অতীতে কিছুমান মধুৰ স্মৃতি আনি জীৱন মধুময় কৰে। অতীত ভাৰতৰ বীৰ বীৰঙ্গনাক স্মৃতিয়ে মোৰ চকুৰ আগত আনি মোক উত্তলা কৰি পেলালে।

পৃথিবীৰ মহাযুদ্ধ চলিয়েই আছে। মই আহ্‌মদ নগৰ জেইলত সোমাই নিস্কৰ্মা হৈ পৃথিবী গ্ৰাস কৰা মহাযুদ্ধৰ ফলাফল চাবলৈ বাট চাই আছো। কেতিয়াবা সৰুসুৰা ভাব ভাবিছো কেতিয়াবা সাহসিকতাৰ ডাঙ্গৰ ডাঙ্গৰ ভাব মনলৈ আনিছো। মোৰ এতিয়া মনত পৰিছে সেই জাতীৰ জীৱন মৰণ সন্ধিক্ষণত মহাত্মা গান্ধীয়ে ১৯৪২ চনৰ ৮ আগষ্টত কোৱা কথা খিনি। "আমি পৃথিবীখনক শান্ত আৰু নিৰ্ম্মলভাবে চোৱা উচিত যদিও বৰ্ত্তমান পৃথিবীখন ৰক্ত পিপাসা মগ্ন"।

"কমলা"

১৯৩৫ চনৰ ৪ চেপ্তেম্বৰত "আলমোৰা" জেইলৰ পৰা মোক হঠাতে মুক্তি দিয়ে। খবৰ পালো যে মোৰ পত্নী শ্ৰীমতী কমলা নেহেৰু শয্যাশায়ী। তেওঁ মোৰ পৰা বহুত দূৰত। জাৰ্ম্মানিৰ অন্ধকাৰ হাবিত বাডেনৱালাৰ চেনিটেৰীয়ামত। মই খৰ খেদাকৈ অটোমবাইল বাছ আৰু ট্ৰেইনেৰে এলাহাবাদলৈ দৌৰ দিলো। দ্বিতীয় দিনা এলাহাবাদ পাই আকাশীযানেৰে ইউৰূপলৈ ৰাওনা হলো।

প্ৰথমতে আকাশীযানে মোক কৰাচীলৈ নিলে। পাচত বাগদাদ আৰু কাইৰূ পালোহি। এলেক্‌জিন্দ্ৰিয়াৰ পৰা সাগৰ পথেদি ব্ৰিন্দিচি হৈ ট্ৰেইন যোগে চুইজাৰলেণ্ডৰ ওৱাচুলৈ গলো। ৯ চেপ্তেম্বৰৰ দিনা মই সন্ধ্যা বাডেনৱাল পালো। এলাহাবাদ এৰি বাডেনৱাল পাওতে মোৰ চাৰি দিন লাগিছিল। আৰু আলমোৰা জেইলৰ পৰা ওলাই আহি বাডেনৱাল পাওতে ৫ দিন লাগিছিল।

মই কমলাৰ ওচৰ পাওঁতে কমলাৰ মুখত সেই আগৰ সাহসিয়াল হাঁহিটি বিৰিঙি উঠিছিল। কিন্তু কথা কোৱাত তেওঁক খুউব দুৰ্ব্বল দেখা গল। মোৰ উপস্থিতিয়ে তেওঁৰ মনলৈ কিছু পৰিবৰ্ত্তন আনিলে। পিচ দিনাৰ পৰা বেদনাৰ কিছু উপশম্ পাই ভাললৈ আহিল। ইয়াৰ পাছতেই আকৌ ক্ৰমাগ্ৰয়ে বেয়াৰ ফাললৈহে ঢাল ললে। আৰু জীৱনৰ প্ৰায় অৱসান হও হওঁ। তেওঁৰ মৃত্যুৰ কথা মই ভাবিবই নোৱাৰো। ভাবিছিলো তেওঁ লাহে লাহে ভালহৈ আহিছে আৰু ভাল হব। অনেক কোৱাৰ দৰে ডাক্তৰে মোকো আশা দিছিল ভাল হব বুলি। অলপ ভালপোৱা যেন দেখিলেই কিছু সময় তেওঁৰ লগত মই কথা পাতো আৰু মুখত বেদনাৰ ছাঁয়া দেখিলেই কথা বন্ধ কৰো। কেতিয়াবা ওচৰতে বহি তেওঁক মই পঢ়ি শুনোৱাৰ কথা এতিয়াও মনত পৰে। সেই খন কিতাপ (Pearl Buck) পাৰ্ল

বাকৰ "দি গুড্ আৰ্থ" (The Good Earth) মই কাষতে বহি পঢ়ি শুনালে তেওঁ বৰ আনন্দ পাইছিল। ৰাতিপুৱা আৰু আবেলি সৰু টাউনখনৰ পৰা বহু কষ্টেৰে খোজকাঢ়ি তেওঁৰ ওচৰলৈ নিতৌ মই অহা যোৱা কৰোঁ। কিছু সময়হে তেওঁৰ লগত আছিলো। মোৰ কবলগীয়া বহু কথা কওঁ কওঁ বুলিও মই তেঁওক কব নোৱাৰিলো। সময়ে সময়ে আগৰ কথা পুৰনা বন্ধু-বান্ধৱৰ কথা দুয়ো আমি পাতিছিলো। দুয়োৰো মনত অতীতৰ বহু স্মৃতি উদয় হৈছিল। তেওঁৰ দেহৰ অৱস্থা যদিও গুৰুতৰ তথাপিও আমি সুদুৰ ভবিষ্যতেও কি কৰিম এই কথা উৎসাহ উদ্দীপনাৰে দুয়ো কৈছিল আৰু শুনিছিলো। চকুৰ চাৱনি তেওঁৰ উজ্জ্বল আছিল আৰু চাৱনিত কিবা বিশেষত্ব ফুটি উঠিছিল। মুখত সদায় আনন্দ বিৰিঙিছিল। বহু বন্ধুয়ে তেওঁক চাই ভাল দেখি আচৰিত হৈছিল। সেই উজ্জ্বল চাৱনি আৰু মিছিকিয়া হাহিয়ে সকলোকে প্ৰতাৰণাহে কৰিলে!

বসন্ত কালৰ সন্ধিয়া পৰত মই মোৰ কোঠালিত বহোঁ। কেতিয়াবা সেউজীয়া বননিৰ বাটত ইফালে সিফালে ফুৰোঁ। এই সময়ত কমলাৰ হাজাৰ প্ৰতিমুৰ্ত্তি মোৰ মানস পাটত ভাঁহি ফুৰে। তেওঁৰ হাজাৰ বিজাৰ মধুৰ গুণ গৰিমাই মোক আপ্লুত কৰি তোলে।

আমাৰ বিয়া হোৱা আজি কুড়ি বছৰ পাৰ হল। তথাপিও তেওঁৰ নতুন নতুন প্ৰতিমুৰ্ত্তি মোৰ আগত থিয় দি মানসিক বল ও শাৰীৰিক সুখৰ ইন্ধন যোগায়। তেওঁক মই বহু ৰকমেই চিনিছো, জানিছো আৰু বুজিবলৈ যত্ন কৰিছো। তেওঁৰ সেই মধুৰ বুজনিয়ে মোক কেতিয়াও প্ৰতাৰণা কৰা নাই। কিন্তু মই নিজে নিজে ভাবো সঁচাকৈয়েই তেওঁক মই বুজি পাইছোনে নাই। কিছুমান ছায়া মায়া তেওঁৰ ভিতৰত আছিল যি বিলাক মই সহজে বুজি নাপাও। তেওঁৰ দৃষ্টিত কেতিয়াবা মই এজন অচিনাকী মানুহ হৈ পাৰো।

অলপ লিখা পঢ়াত বাজে তেওঁ বেচি লিখা পঢ়া নাজানিছিল। তেওঁ আমাৰ মাজলৈ আহিছিল একো নজনা অশিক্ষিত এজনী ছোৱালী

হৈ। সেই একো নজনা ছোৱালীজনীৰ অভ্যাস আজিও তেওঁ হেৰুৱা নাই। যেতিয়াই শাৰিত ভৰি দিলে তেতিয়াই তেওঁৰ ৰূপ আৰু অভ্যাস পৰিবৰ্ত্তন হল। তেওঁৰ চাৱনীত গভীৰতা আৰু শৃঙ্খলতাৰ বিৰাট প্ৰতিমূৰ্ত্তি প্ৰজ্জ্বলিত হল।

আজি-কালি ছোৱালীৰ দৰে চলন ফুৰণত তেওঁ নাছিল। তথাপিও বৰ্ত্তমানৰ অভ্যাস তেওঁ বঢ়িয়াকৈ আয়ত্ব কৰিছিল। বিশেষ-ভাবে তেওঁ এগৰাকী ভাৰতীয় ছোৱালী আৰু অভ্যাসত এগৰাকী কাশ্মিৰী জীয়ৰী। যি লোকক তেওঁ চিনি নাপাই সেই লোকৰ ওচৰত তেওঁ খুউব গহীন। যাক চিনি পাই বা জানে তেওঁলোকৰ ওচৰত তেওঁ আত্মীয়ৰ দৰে খুলি কথা কয় আৰু আনন্দত আত্মহাৰা হয়। ভাল বেয়া বিচাৰ তেওঁ তৎক্ষণাৎ কৰিব পাৰিছিল। কোনো মানুহক যদি তেওঁ বেয়া পাই সেই বেয়া পোৱা ভাব তেওঁ মনৰ মাজত লুকাই থব নাজানিছিল। কেতিয়াবা গুপুত কৰিব বিচাৰিলেও আপোনা-আপুনি ব্যক্ত হৈ পৰে।

আমাৰ বিয়াৰ কথা মোৰ মনত পৰিছে। কমলাক মই সৰ্ব্বান্তঃ-কৰণে ভাল পাইছিলো যদিও তেওঁক সঘনে পাহৰি আছিলো। বিয়াত যি দৰে আমি বান্ধ খাইছিলো সেইদৰে তেওঁ মোক ওচৰত পোৱা নাছিল। কাৰণ সেই সময়ত মই নিজে ভালপোৱা কল্পনা ৰাজ্যত ওপঙি ফুৰিছিলো। মোৰ লগত বা কাষত থকা সকলোকে মাথো মই ছায়াঁমায়া ভাবেহে দেখা পাইছিলো। যি কাম মই নিজে ভালপাও বা যি বিষয়ত মই আকৃষ্ট হওঁ তাক কাৰ্য্যত পৰিণত কৰিবলৈ দেহেকেহে খাটি ভালপাওঁ। অৱসৰ সময়ত কমলাৰ প্ৰতিমূৰ্ত্তিয়ে মোক ঘৰলৈ টানি নিব খোজে। মোৰ কাষত থাকিলে তেওঁৰ মন প্ৰাণ শীতল হয়। তেও ভৰপূৰ কৰিছিল নতুন উৎসাহ উদ্দীপনাৰে মোৰ অৱশ ভাগৰুৱা প্ৰাণ। শিকিছিলো বহু কথা তেওঁৰ পৰা মই। ময়েহে কিন্তু তেওঁক একো দিব নোৱাৰিলো। মোৰ হিয়াত তেওঁ গভীৰভাবে লীনহৈ আছে। কিবা কামত সহায় কৰিব

খুজিলেও তেওঁ মোৰ ওচৰত কোনো সহায় নিবিচাৰে। জাতীয় কংগ্ৰেছৰ যুদ্ধত তেওঁ নিজেই কৰ্ম্মৰ জৰিয়তে পৃথিবীৰ মানুহৰ আগত তেৰোঁ দাঙ্গি ধৰিব খুজিছিল তেওঁৰো দেশৰ প্ৰতি থকা গধূৰ দায়িত্ব। পৃথিবীৰ কোনো বস্তুয়েই ইয়াতকৈ আৰো মোক আনন্দ দিব নোৱাৰে।

কাৰাগাৰে প্ৰায়েই মোক তেওঁৰ পৰা আতঁৰাই ৰাখিছিল। কেতিয়াবা হয়তো তেওঁ বেমাৰত পৰি মোক ওচৰত নাপাই বেদনাত ছট্‌ফটাইছিল। বিশ্বকবি ৰবীন্দ্ৰনাথৰ নাটকীয় চিত্ৰাই কোৱাৰ দৰে তেওঁ মোক কয়। মই চিত্ৰা। তুমি যদি মোক তোমাৰ কাষতে থাকিবলৈ দিয়া তোমাৰ লগতে সকলো দুখ সুখৰ ভাগ লবলৈ দিয়া তেন্তে তুমি মোক প্ৰকৃত ৰূপত দেখা পাবা। এই কথা তেওঁ মোক ভাষাৰে জনোৱা নাই, জনাইছে চকুৰ পচাৰেৰে।

১৯৩০ চনত জাতীয় কংগ্ৰেছত আমি দুয়ো একে লগে দেশৰ কাম কৰিছিলো। মই তেওঁৰ সেই ভাবৰ পৰিচয় পাই আনন্দত আত্মহাৰা হলো। জীৱনযাত্ৰাৰ সোঁতত কিছুদিন আমাৰ ভাঁহি গল। ক্ৰমান্বয়ে জাতীয়তাৰ জাগৰণে দেশ আৱৰি পেলালে। সেইদিন বিলাক আমাৰ কাৰণে বৰ মধুৰ আছিল। কিন্তু সোনকালেই শেষ হৈ গল।

এপ্ৰিল মাহৰ শেষ ভাগত সমাজৰ আইন অমান্য আন্দোলনে গোটেই দেশ আবৰি পেলালে। চৰকাৰৰ অত্যাচাৰত মানুহৰ দুখে কুলাই পাচিয়ে নধৰা হ'ল। মই আকৌ জেইলত বন্দী হলো। প্ৰায় বিলাক মতা মানুহ জেইলত। আনন্দৰ কথা যে আমাৰ দেশৰ মাতৃ জাতীয়ে আহি স্বাধীনতা সংগ্ৰামত অগ্ৰস্থান অধিকাৰ কৰিলেহি। মাতৃ জাতীয়ে সকলোতেই আগভাগ ললেহি। পাহাৰ বাগৰি বৰফ পৰাদি মাতৃজাতি ৰনস্থলীলৈ নামি আহিল। বৃটীশ চৰকাৰৰ ডাঙ্গৰ ডাঙ্গৰ কৰ্মচাৰীকে আচৰিত কৰি তুলিলে। উচ্চ শ্ৰেণীৰ, মজলীয়া শ্ৰেণীৰ, বনুৱা শ্ৰেণীৰ, কৃষক ধনী দুখীয়া সকলোৰে জীয়ৰী বোৱাৰী ইমান দিনে কেৱল ঘৰৰ ভিতৰত সোমাই দিন নিয়াইছিল। এতিয়া তেওঁলোক হাজাৰে হাজাৰে ঘৰৰ ভিতৰৰ পৰা

ওলাই আহি চৰকাৰৰ হুকুম অগ্ৰাহ্য কৰি পুলিচৰ লাঠিৰ সম্মুখীন হৈ দেশ সেৱাত নামি গল। তেওঁলোকে কেৱল অন্তৰত থকা সাহসিকতা-মাথো চিনাকি দিলে এনে নহয় কামৰ শৃঙ্খলতাৰে পৰিস্কাৰ ভাবে দেখুৱাই দিলে যে তেওঁলোকৰ ভিতৰতো কাৰ্য্যৰ ক্ষমতা আছে।

মই নাইনিতাল জেলতেই ভাৰতৰ মাতৃ জাগৰণৰ বাতৰি পাই আনন্দত নাচি উঠিলো। সেই কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। সেই সময়ত আমাৰ অন্তৰ শোক আৰু—আনন্দত অভিভূত। চকুত হৰ্ষ আৰু বিষাদৰ লোটক। দেখা শুনাকৈ আমাৰ মাজত আমাৰ দেশৰ কথা আমি আলোচনা কৰিবই নোৱাৰোঁ। শেষত দেউতায়ো বন্দী হল আৰু নাইনিতাল জেলতেই আমাৰ লগ লাগিল। তাতেই তেওঁ আমাক আমি নজনা বহু কথা কলে। দেউতাইও আইন অমান্য আন্দোলনৰ নেতৃত্ব কৰিছিল আৰু দেশৰ মাতৃ জাতিক এই পথ দেখুৱাই উৎসাহিত কৰিছিল। এই আন্দোলনৰ আগতে লৰা ছোৱালীয়ে যদি কেতিয়াবা পুলিশৰ লগত পথে ঘাটে গণ্ডগোল কৰা শুনে তেওঁ বৰ বেয়া পাইছিল। এতিয়া কিন্তু নিজৰ বোৱাৰী জীয়াৰীকো পুলিচৰ বিপক্ষে দেশৰ কাৰণে আইন অমান্য কৰি থিয় দিবলৈ মৰমেৰে তেওঁ সাবতি ধৰিলে।

১৯৩১ চনত দেউতাৰ নিৰ্দ্দেশত ভাৰতৰ সকলো ঠাইতে ২৬ জানুৱাৰীৰ দিনা সভা সমিতি পাতি ভাৰতৰ সম্পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। এই দিনটোক ভাৰতৰ স্বাধীনতা দিন হিচাবে পালন কৰিবলৈ প্ৰস্তাৱ ডাঙ্গি ধৰিলে। এই বিলাক মিতিং পুলিশে বন্ধ কৰিছিল আৰু আনকি সভাত উপস্থিত হবলৈ যোৱা লোকৰ ওপৰতো জোৰ জুলুম কৰিছিল। দেউতাই এই মিতিং বিলাক বেমাৰত পৰি শয্যাৰ পৰাই আয়োজন কৰিছিল। দেউতাই সঁচাকৈয়েই বৰ ডাঙ্গৰ কাম কৰিছিল কাৰণ আমি দেশৰ বা বাতৰি কোনো বাতৰি কাকতৰ জৰিয়তে নতুবা টেলিগ্ৰামৰ জৰিয়তে দিব পৰা নাছিলো। বিশাল ভাৰতৰ গাৱেঁ ভুঞে নিজ নিজ ঠাইৰ ভাষা অনুযায়ী এই দাবী সকলো

প্ৰান্তৰতে বিয়পি পৰিল। ইয়াৰ দহ দিনৰ পাচত দেউতাই ইহলীলা সম্বৰণ কৰে। দাবিৰ প্ৰস্তাৱ সমূহ দীঘলীয়া আছিল। ইয়াৰ এটা অংশতহে ভাৰতৰ মাতৃজাতিৰ বিষয়ে উল্লেখ হৈছিল। মাতৃজাতিয়ে আমাৰ দেশৰ বিপদৰ সময়ত দেখুওৱা সাহস আৰু ত্যাগৰ আমি শলাগ লৈছো। তেওঁলোকলৈ আমাৰ গভীৰ সম্মান আৰু ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ মাতৃজাতিয়ে দেশৰ স্বধীনতা সংগ্ৰামত মানুহৰ লগত এক হৈ শত বাধা বিঘিনিক আওকান কৰি দেশৰ কাৰণে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি বহু নিৰ্য্যাতন ভূগিছিল। এই কামত কমলাই এলাহাবাদত বিশেষ সাহসিকতাৰে দেশৰ গধূৰ বোজা কান পাতি লৈছিল। আমি সকলো তেতিয়া জেইলত। তেওঁৰ নিৰ্ভীকতাত আৰু সাহসিকতাত সেই কেইমাহে এলাহাবাদত গৌৰবৰ হেন্দোলনি বাগৰি পৰিছিল।

দেউতাৰ শেষ শয্যাৰ সময়তহে আমি লগ লাগিছিলো। সেই মিলন আমাৰ জনমভূমিৰ নতুন দিগন্ত ৰচনা কৰাৰ সহকৰ্মীৰহে। দুয়োৱে ইজনে সিজনৰ কৰ্ত্তব্য পন্থাত ভালকৈ বুজিছিলো। ইয়াৰ কেইমাহ মানৰ পিছত জীয়ৰী ইন্দিৰাৰে সৈতে সিংহল দ্বীপলৈ ফুৰিবলৈ যাওঁ। এই ভ্ৰমণে আমাক নতুন অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত কৰে। আমাৰ জীৱন যাত্ৰাক নতুনকৈ গঢ় দিবলৈ ইয়েই আমাক সুযোগ দিলে।

কৰ্ত্তব্যৰ আহ্বানত সিংহলৰ পৰা সোনকালেই ভাৰতলৈ আহিলো। আহিয়েই জেইলত আৱদ্ধ হলো। ইয়াৰ বাহিৰে বেচিদিন একেলগে জীৱন যাপন কৰিবলৈ আৰু আমাৰ ইহ জীৱনত সুযোগ নিমিলিল। দুবছৰকৈ দুবাৰে মই জেইলত সোমালো। শেষবৰাৰ জেইলৰ ম্যাদ শেষ নৌ হওঁতেই কমলা মৃত্যু শয্যাত পৰিল।

১৯৩৪ চনত যেতিয়া মোক কলিকতাৰ পৰোৱানা জাৰিত গ্ৰেপ্তাৰ কৰিবলৈ যায় কমলাই মোৰ কাৰণে কাপোৰ আনিবলৈ আমাৰ শোৱা কোঠাত সোমায়। তেওঁৰ পৰা বিদায় লবলৈ মই তেওঁৰ পাচে পাচে

যাওঁ। হঠাৎকাৰে তেওঁ মোৰ গাত ধলি পৰি অজ্ঞান হৈ পৰিল। এই পৰিস্থিতি অবাঞ্চিত আছিল। কাৰণ প্ৰত্যেক বাৰেই আমি হাঁহি মুখে কাৰাগাৰ বৰণ কৰিছো। হব পাৰে এই বুলি যে ইয়েই হয়টো আমাৰ ইহ জীৱনত দুয়োৰে শেষ দেখাদেখি। হয়টো আমাৰ আৰু দেখা দেখি নহবও পাৰে।

দীঘলীয়া দুবছৰীয়াকৈ দুটা জেইলৰ সময় যেতিয়া আমাৰ দুয়োৰো লগ লগাৰ মাজত আহি পৰিল ইটোৱে যিটোক তেতিয়া ওচৰত পাবলৈ হিয়া ধুনি আৰ্ত্তনাদ কৰিছিলো। ফাটেকত বন্দী হৈ থাকোতে কমলাৰ মুখখন মোৰ চকুৰ আগত সদায় ভাঁহিছিল। কল্পনা কৰিছিলো কমলাই কেনেদৰে জীৱন যাপন কৰিছে, দুয়ো আমি কেতিয়ানো আকৌ লগ লাগিম। ক্ষন্তেক সময়ৰ কাৰণেহে কেতিয়াবা আমাৰ দেখাদেখি হয় জেইলত। সেই সময়ত ইজনে সিজনৰ অন্তৰৰ ব্যথা ব্যক্ত কৰা মানে ইজনে সিজনৰ মনত কষ্ট দিয়া। গতিকে অন্তৰৰ ব্যথা কোনেও ব্যক্ত কৰা নাছিলো। তেওঁৰ অন্তৰত কিছুমান গধুৰ বেদনাই কষ্ট দিছিল। সেই বেদনা মই জেইলৰ পৰা উপশম কৰিব নোৱাঁৰো।

বাডেনৱালত থাকোতে এই বিলাক চিন্তাই মোক জুমুৰি দি ধৰিছিল। সকলো নীৰৱে সেই নিৰ্জ্জন বননিত পাৰ কৰি দিলো। মই চিন্তাত মগ্ন হলো। অতীত জীৱন মোৰ চকুৰ আগত ভাঁহি উঠিল। মোৰ কাষতেই ওচৰত কমলাক থিয় হৈ থকা দেখা পালো। মোৰ মনত তেওঁ ভাৰতীয় মাতৃজাতিৰ প্ৰতিমূৰ্ত্তি। সময়ে সময়ে তেওঁ মোৰ লগত মোৰ প্ৰাণতকৈয়ো অধিক ভাল পোৱা মোৰ জন্মভূমি ভাৰত দেশৰ কথাত যোগ দিয়ে।

কমলা কি আছিল? কমলাক মই বুজি পাইছিলো নে? বা তেওঁ মোক জানিব পাৰিছিলনে নাই? কাৰণ ময়ো তেওঁক মোৰ ব্যৱহাৰত অন্ধকাৰত ৰাখিছিলো। নতুবা মোৰ ব্যৱহাৰত তেওঁ তেওঁৰ অন্তৰৰ কথা মোৰ আগত প্ৰকাশ কৰিবলৈ ভয় কৰিছিল।

নির্ম্মল, পবিত্র জীৱন যাপন কৰাত স্বামী স্ত্রীয়ে সংসাৰৰ সুখ, দুখ বেজাৰৰ সকলোৰে ভাগ লোৱা উচিত।

ভাৰতবৰ্ষৰ বজাৰত বিক্রি কৰা ছবিৰ ভিতৰত মোৰ আৰু কমলাৰ ছবিয়ে স্বকীয়া ৰূপত প্রদর্শিত হৈছিল। দুয়োকে আদর্শবাদী বুলি ধৰিছিল। সকলোৱে কল্পনা কৰিছিল আমাক ভাগ্যবান বুলি। সিংহল দ্বীপত সকলোৱেই এই কথা ব্যক্ত কৰিছিল আৰু মযো কমলাক আমি ভাগ্যবান বুলিয়েই কৈছিলো যদিও জীৱনত আমি শতঘাট প্রতিঘাটত জলাকলা। মানবীয়তাৰ মধুৰ সপোন কিমান যে আনন্দ-দায়ক আৰু অমূল্য সম্পদ।

১৯৩৫ চনৰ খৃষ্টমাষ্ট। কমলাৰ অবস্থা কিছু ভাললৈ আহিছে। যদিও এই উপশম বিশেষ মন কৰিব লগীয়া নহয়। তথাপি আগৰ কেইদিনৰ কষ্টলৈ চাই ভাললৈ অহা যেন লাগে। এইদৰে কমলাৰ স্বাস্থ্য এমাহ মানলৈকে ভাললৈ অহা দেখি সেই সুযোগতে মই আৰু জীয়াৰী ইন্দিৰা কেইদিন মানৰ কাৰণে ইংলণ্ডলৈ গলো। আঠ বছৰ ধৰি মই ইংলণ্ডলৈ যোৱা নাই। সেই কাৰণে বন্ধু সকলে মোক যোৰ দি নিমন্ত্রণ কৰিছিল! মই পুনৰ বাডেনৱাললৈ আহিলো আৰু আগৰ নিয়ম পালন কৰিলো।

শীতকাল আহি উপস্থিত হল। বৰফে দূৰৰ দৃশ্যপট আবৰি ধৰিলে। শীতকাল অহাৰ লগে লগে কমলাৰো স্বাস্থ্যৰ অৱনতি ঘটিল। তেওঁৰ জীৱনৰ মহাসন্ধিক্ষণ আহি পৰিল। তেওঁৰ জীৱনৰ প্রায় শেষ মুহূর্ত্ত আহোঁ আহোঁ।

১৯৩৫ চনৰ শেষৰ দিন বিলাক মই কেনেদৰে বিদায় দিলো নিজেই কব নোৱাৰোঁ। কিমান দিন আৰু কমলা জীয়াই থাকিব এই ভাব সঘনে মোৰ মনলৈ আহি মোক পাগল কৰি তুলিলে। সেই শীতল দিনৰ বগা শীতল ছাঁয়াপট মোৰ কাৰণে মৃত্যুৰ জীৱন্ত প্রতিমূর্ত্তি হ'ল। দূৰ সুদূৰৰ জীৱন যাত্রাৰ সকলো আশা আৰু ভৰষাৰ থল মই হেৰুৱাই পেলালো।

এইবাৰো কমলাই মৃত্যুৰ লগত বহু যুদ্ধ কৰি ৰ'ল। তেওঁ কিছু ভাল পাই বাডেনৱালৰ পৰা নিবলৈ কলে। সেই ঠাই তেওঁ একেবাৰেই ভাল নোপোৱা হল। বিশেষকৈ তেওঁৰ বেয়া লাগিল এজন ৰুগীৰ তাত মৃত্যু হোৱাত। সেইজন ৰুগীয়ে প্ৰায়েই তেওঁক ফুল উপহাৰ দিছিল। সেই ৰুগীজন আছিল এজন আইৰিচৰ লৰা। তেওঁৰ স্বাস্থ্য কমলাতকৈ বেচ ভাল আছিল। আনকি ডাক্তৰে তেওঁক ফুৰিবলৈকো অনুমতি দিছিল। সেই লৰাজনৰ হঠাতে মৃত্যু হোৱাত সেই বাতৰি তেওঁৰ পৰা লুকাই ৰাখিবলৈ বৰ যত্ন কৰিছিলো আমি। কিন্তু নোৱাৰিলো।

জানুৱাৰী মাহত অন্য এটা যাত্ৰা কৰিলো পেৰিচলৈ। সেইবাৰো মই লণ্ডন লৈ গলো। লণ্ডনতেই মই বাতৰি পালো যে দ্বিতীয়বাৰৰ কাৰণে ভাৰতৰ জাতীয় কংগ্ৰেছে আকৌ মোকেই সভাপতি মনোনীত কৰিছে। এই সভা এপ্ৰিল মাহত বহিব। এই কথা মই কিছু আগৰ পৰাই গম পাই আছিছো। মোৰ বন্ধুসকলে এই কথা মোক আগতেই উখুকিয়াইছিল। মই কমলাৰ লগত এই বিষয়ে আলোচনা কৰিলো। মই মহা সন্ধিক্ষণত পৰিলো। একালে মহা সঙ্কটাৱস্থাত কমলাক এৰি যোৱা আনফালে জাতীয় কংগ্ৰেছৰ সভাপতি পদ ত্যাগ কৰা। কমলাই মোক তেনে কৰিবলৈ নিদিলে। তেওঁ মোক ভাৰতলৈ যাব অনুমতি দিলে। তেওঁৰ স্বাস্থ্যৰ কিছু উন্নতি দেখিময়ো ভাবিলো যে ভাৰতৰ কাম সমাধা কৰি আহি তেওঁৰ ওচৰত হাজিৰ হবহি পাৰিম।

১৯৩৬ চনৰ জানুৱাৰী মাহৰ শেষ ভাগত বাডেনৱালৰ পৰা কমলাক চুইজাৰলেণ্ডৰ "লাইচেনী" চেনিটেৰীয়ামলৈ নিয়া হল।

"মৃত্যু"

মই আৰু কমলা দুয়োয়েই চুইজাৰলেণ্ডলৈ যোৱাৰ কথা ভাবিছিলো। এটা নতুন পৰিবৰ্ত্তনৰ কাৰণে। চুইজাৰলেণ্ড আহি পালো। চুইজাৰলেণ্ডৰ প্ৰাকৃতিক সৌন্দৰ্য্যই কমলাক আনন্দ দিলে। ময়ো ঘৰতে থকাৰ দৰেই অনুভব কৰিলো। কাৰণ মোৰ বহু পুৰণা বন্ধু ইয়াত লগ পালো। চুইজাৰলেণ্ডৰ সকলো বিলাক প্ৰায় মোৰ পৰিচিত। ইয়াতো কমলাৰহে অৱস্থাৰ কোনো পৰিবৰ্ত্তন নেদেখিলো। আৰু দূৰ ভবিষ্যতো তেওঁৰ স্বাস্থ্যৰ অবনতিৰ কোনো চিন নাই। আগৰ দৰেই কিছু কিছু উপশম্ পাই একেদৰেই চলি আছে। ইতি-মধ্যে ভাৰতলৈ যাবৰ কাৰণে বন্ধু বান্ধব সকলে বৰ যোৰ কৰিছে। মোৰ মন অশান্তিৰে পৰিপূৰ্ণ হল। দেশৰ কথাই মোক আগুৰি ধৰিলে। কেই বছৰমান মই কাৰাবদ্ধ হৈ দেশৰ কামৰ পৰা, সমাজৰ কামৰ পৰা অব্যাহতি পাইছিলো। লণ্ডন আৰু পেৰিচৰ ভ্ৰমণে মোক উগ্ৰ কৰি তুলিলে। মই দেশৰ সেৱাৰ পৰা বাহিৰত থাকিব নোৱাৰা হলো।

এই বিষয়ে মই কমলাৰ লগত আলোচনা কৰিলো। ডাক্তাৰৰো পৰামৰ্শ ললো। তেওঁলোকে মোক সন্মতি দিলে আৰু সেই অনুযায়ী মই ভাৰতলৈ আহিবলৈ সাজু হলো। আকাশী যানত টিকেট 'বুক' কৰিলো। ফেব্ৰুৱাৰী ২৮ তাৰিখে যোৱা থিক হল। মই অনুমান কৰিছিলো কমলাই মোক তেওঁৰ কাষৰ পৰা এৰি দিবলৈ একেবাৰেই ভাল নাপাইছিল। তথাপিও মুখেৰে এই যাত্ৰা বন্ধ কৰিবলৈ একোকেই উচ্চাৰণ নকৰিলে। মই ভাৰতত বেচি দিন নাথাকো বুলি তেওঁক জনালো। দুই তিনি মাহৰ ভিতৰতে ঘুৰি আহিম বুলিও তেওঁক সময় দিলো! আৰু কথা দিলো যে যদি তেওঁ বিচাৰে মই আৰু সোনকালে আহিব লাগে তেন্তে এটা কেব্‌লৰ বাতৰি পালেই এক সপ্তাহৰ ভিতৰতে তেওঁৰ ওচৰত আহি মই উপস্থিত হম।

মই ভাৰতলৈ যাবলৈ ৪ কি ৫ দিনমান আছে। ওৱেষ্ট স্কুলৰ পৰা আহি ইন্দিৰাও আমাৰ লগত আছেহি। ডাক্তৰে মোৰ এই যাত্ৰা এসপ্তাহ কি দহদিনমান বন্ধ কৰিবলৈ উপদেশ দিলে। ইয়াত বাদে মোক আৰু ডাক্তৰে একো কথা নকলে। মই তেওঁৰ কথা অনুযায়ী আকৌ অইন বিজাৰ্ভেশন কৰিলো।

শেষৰ দিনবিলাকত কমলাৰ অৱস্থাৰো সাল সলনি হব ধৰিলে। শাৰিৰীক অৱস্থা ভালেই কেৱল মানসিক অৱস্থাৰহে অৱনতি ঘটিছে। তেওঁ মোক কব ধৰিছে যে তেওঁৰ ওচৰলৈ কোনো লোক আহি তেওঁক মাতিছে। মই চালো কিন্তু একো দেখা নাপাও।

২৮ ফেব্ৰুৱাৰীৰ আগমুহূৰ্ত্তত কমলাই সকলোকে কন্দুৱাই ইহ জীৱনৰ কাৰণে মোৰ পৰা বিদায় ললে। ইন্দিৰা মোৰ লগতেই আছিল। বিপদ সম্পদৰ বন্ধু ডাক্তৰ "অটলুও" সকলো সময়তে আমাৰ লগতেই আছিল। চুইজাৰলেণ্ডৰ ওচৰৰ চহৰৰ পৰাও কেইবা গৰাকীও বন্ধু আহিল! আমি কমলাৰ মৃত দেহ লাইচেনীৰ শ্মশান ভূমিলৈ লৈ গলো। ক্ষন্তেক সময়ৰ ভিতৰতেই সেই ধুনীয়া শৰীৰ সেই ধুনীয়া মুখ, সেই ধুনীয়া মুখৰ হাঁহি ধুলিৰ লগত মিহলি হল। এটা মাটিৰ পাত্ৰত আহি তেওঁৰ শেষৰ অস্থিসমূহ বলহি।

যি বন্ধনে মোক লাইচেনী আৰু ইউৰূপত ৰাখিছিল সেই বন্ধন চিঙি গল। মই আৰু তাত থকাৰ এতিয়া কোনো আৱশ্যকতা নাই। সচাঁকৈয়েই মোৰ ভিতৰৰ পৰা মই নজনাকৈয়েই কিবা এডাল হিয়া বীনৰ তাৰ চিঙি গল। অন্ধকাৰে মোক আগুৰি ধৰিলে। মোৰ মনে থিক ভাবে কাম কৰিব নোৱাৰা হ'ল। ইন্দিৰাৰে মই কেইদিন মান নীৰলে কটাম বুলি মনট্ৰেক্সলৈ গলো।

মনট্ৰেক্সত থাকোতেই ইটালীয়ান কনচাল জেনেৰেল লাইচেনীৰ পৰা আহি মোক দেখা কৰে। আৰু চিনৰ মুচলীনীয়ে মোৰ পত্নীৰ বিয়োগত গভীৰ দুখ প্ৰকাশ কৰাৰ কথা মোক জনায়। এই কথাত মই এক ৰকম আচৰিত হৈছিলো। কিয়নো চিনৰ মুচলীনীক মই

কোনো কালে লগ পোৱা নাই। মযো মোৰ গভীৰ কৃতজ্ঞতা চিনৰ মুসলীনীক জনাবলৈ কন্‌চাল জেনেৰেলক কৈ পথালো। কেই সপ্তাহমানৰ পিচতেই ৰোমৰ পৰা মোৰ এজন বন্ধুয়ে জনালে যে চিনৰ মুসলীনীয়ে মোক লগ পাবলৈ বৰ ইচ্ছুক। সেই সময়ত মই ৰোমলৈ যোৱাৰ কোনো প্ৰশ্নই উঠিব নোৱাঁৰে। যেতিয়া মই ভাৰতলৈ উভতিবৰ সময় হল ৰোমত চিনৰ মুসলীনীক লগ পোৱাৰ কথাটো মোক পুনঃ পুনঃ কবলৈ ধৰিলে।

যদিও এই কথাটো মই একেবাৰেই বাদ দিব খুজিছিলো তথাপি ভদ্ৰতাৰ খাটিৰত মোৰ অনিশ্চাস্বত্বেও তেওঁক লগ পোৱাৰ ইচ্ছা হৈছিল। ডিউকনো কোন কেনে ধৰণৰ ভাকে জানিবলৈ মোৰ আগ্ৰহ জন্মিছিল। কিন্তু সেই সময়ত আবিসীনীয়াৰ যুদ্ধ চলি আছিল। এনে সময়ত মোৰ ৰোমত উপস্থিতিয়ে ফেচিষ্টতৰ পক্ষপাতীতাৰহে প্ৰমাণ কৰিব। কাৰণ এনে ধৰণৰ প্ৰচাৰ কাৰ্য্য আমাৰ ভাৰতীয় ছাত্ৰসকলৰ অজ্ঞাতেই চলি আহিছে। আনকি ইটালীৰ বাতৰি কাকতেও মহাত্মাগান্ধীক মিছাকৈয়েই ১৯৩১ চনত চিনৰ মুসলীনীৰ লগত দেখা সাক্ষাত হৈছে বুলি প্ৰচাৰ কৰিছিল। গতিকে মই চিনৰ মুসলীনীৰ লগত দেখা সাক্ষাত নকৰাটোকেই থিৰাং কৰিলো। মোৰ অক্ষমতাৰ কাৰণে দুখ প্ৰকাশ কৰি মই বন্ধুলৈ লিখিলো আৰু ভুল নবুজিবৰ কাৰণে চিঠি ও টেলিগ্ৰামো পঠালো। এই সকলো বিলাক কথা চলি আছিল কমলাৰ মৃত্যুৰ আগৰ পৰাই। কমলাৰ মৃত্যুৰ বাতৰি জনাই পুনৰ সেই বন্ধুলৈ মই মোৰ অপাৰগতাৰ কথা লিখি জনালো।

এই সকলো বিলাক লিখিবলৈ মোৰ বিশেষ দৰকাৰ হ'ল। কাৰণ মই ৰোমৰ পথেদি বিমানেৰে ভাৰতলৈ যাম আৰু এই বিমান যাত্ৰাত এৰাতি ৰোমত থাকিবও লাগে। মই এই বিমান পথ কোনো পথ্যেই এৰাই যাব নোৱাৰো।

মনট্ৰেক্সত থকা কেইদিন মানৰ পাচতেই মই জেনেভা আৰু

মাৰচেইলিচলৈ গলো। পাচত পূবৰ আকাশীজানৰ (K. L. M.) কে এল্ এমত উঠি ৰোম আহি পালো। ৰোম আহি পোৱাৰ লগে লগেই ৰোমৰ এজন ডাঙৰ বিষয়া আহি মোক চিনৰ মুসলীনীৰ মন্ত্ৰী সভাৰ এখন চিঠি দিলে। তাত লিখিছে যে ডিউকে মোক লগ পালে সুখী হব আৰু এই মিতিঙৰ কাৰণে সন্ধিয়া ৬ বজাত সময় নিৰ্দ্ধাৰিত কৰিছে। মই বৰ আচৰিত হলো। আৰু মই আগতেই জনেৰো কথা বিলাকলৈ উন্মুকিয়াই দিলো। কিন্তু তেওঁ মোক জনাই দিলে যে ইতিমধ্যে এই মিতিঙৰ চুবান্ত ভাবে আয়োজন কৰা হৈ গল আৰু ইয়াৰ অন্যথা এতিয়া কৰিব নোৱাৰে। প্ৰকৃততে তেওঁ যদি এই মিতিং পাতিব নোৱাৰিলে হয় তেন্তে তেওঁক কামৰ পৰাই বৰখাস্ত কৰিলে হেতেন। মোক আৰু তেওঁ জনালে যে এই মিতিঙৰ বিষয়ে কোনো কাকতে উল্লেখ নকৰে। মাত্ৰ কেই মিনিট মানৰ কাৰণেহে ডিউকক মই দেখা দিব লাগে। ডিউকে নিজে জৱাহৰলালৰ লগত কৰমৰ্দ্দন কৰিব আৰু জৱাহৰলালৰ পত্নীৰ বিয়োগত সমবেদনা জনাব। এঘণ্টা এনেভাবে আলোচনা হোৱাৰ পাচত মই ডিউকলৈ এটা “টেলিফোন মেচেইজ” পঠালো! মই বৰ ভাগৰুৱা যাব নোৱাৰি নিজে বৰ দুখীত সেই সন্ধিয়াই মই চিনৰ মুসলীনীলৈ নিজে গৈ তেওঁৰ মিমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰি তেওঁক ধন্যবাদ জনাই আৰু মোৰ অপাৰগতাৰ কাৰণে দুখপ্ৰকাশ কৰি এখন চিঠি লিখো।

পিচদিনা মই মোৰ বিমান যাত্ৰা আৰম্ভ কৰিলো—কেইকত মোক পুৰণা বন্ধুয়ে লগ পাবলৈ বাটচাই আছে। তাৰ পাচত পশ্চিম মৰুভূমিৰ পথত। বহু কথা বহু ঘটনায় মোক গোটেই আকাশীপথতে আৱৰি ধৰিলে। কেইৰু এৰি পশ্চিম মৰুভূমিৰ বিশাল খণ্ডত গৈ থাকোঁতে ঘণ্টাৰ পাচত ঘণ্টা অতিবাহিত হল। মোৰ চাৰিওফালে এক বিৰাট শূন্য। কমলাক হেৰুৱাই মই অকলশৰীয়া হৈ একোকেই ভাবিব নোৱাৰা হলো। কমলাক মই দূৰ দেশান্তৰ শ্মশানত অকলে

এৰি থৈ ঘৰলৈ ওভটিছো। মোৰ ওচৰত এইয়া এটা সৰু পাত্ৰ। কিছুমান ছাই আৰু এঙ্গাৰ।

এইয়া কমলাৰ অস্থি পিণ্ড। কমলা আৰু মোৰ কাষত নাই। চাৰিওফালে মোৰ বিৰাট শূন্য। তুনাই তুনাই কমলাৰ কথা মোৰ মনলৈ আহি মোক পাগল কৰি পেলালে। ভুৱালী চেনীটেৰীয়ামত থাকোতে তেওঁৰ লগত মোৰ আত্মজীৱনী লিখাৰ বিষয়ে আলোচনাৰ কথা মনত পৰিল। তেওঁক মই শুনাইছিলো পঢ়ি অলপমান কথা। তাৰ পাচত আৰু আমাৰ জীৱনৰ কথা তেওঁক পঢ়ি শুনাবলৈ কোনো সুযোগ নাপালো।

বাগ্‌দাদ আহি পোৱাৰ লগে লগে লণ্ডনৰ প্ৰকাশকলৈ মই তাৰ পঠালো। মোৰ আত্মজীৱনী কিতাপখন কমলা নেহৰুৰ নামত উছৰ্গা কৰিলো। তেওঁ আৰু এই পৃথিবীত নাই!

কৰাচী পালোহি। বহু বন্ধু চিনাকি মুখ দেখা পালো। আৰু পবিত্ৰ গঙ্গাৰ ধাৰত কমলাৰ অস্থি বিসৰ্জ্জন কৰিলো।

কত শত আমাৰ প্ৰপিতামহ এই নদীৰ অফুৰন্ত সোঁতৰ প্ৰবাহত সীমাহীন বিশাল সাগৰত বিলীন হল আৰু আমাক অনুকৰণ কৰা কত শত জন এই পবিত্ৰ নদীৰ বুকুতেই লীন হব তাৰ কোনো সীমা নাই। সকলোকে বুকুত সামৰি পবিত্ৰ গঙ্গাৰ ধাৰ অসীমলৈ বৈয়েই আছে।

"অনুসন্ধান"

চলিত বছৰ বিলাকত মোৰ মন ভাৰতৰ বিষয়ে। ভাৰতক ভালকৈ চিনিবলৈ ভাৰতৰ বিষয়ে মোৰ কৰ্ত্তব্য কি ? ইত্যাদি চিন্তা অহৰহ মোৰ মনত জাগৃত হল। মই আকৌ মোৰ লৰালি দিনলৈ ওভটি গৈ চাব খোজো মোৰ মনৰ প্ৰতিক্ৰিয়া। আৰু এতিয়া চিন্তাৰ পৰিসৰ বৃদ্ধি হোৱা মোৰ মনৰ ও ভাবৰ অমিলতা ক'ত। মোৰ কাৰ্য্যৰ অভিজ্ঞতাইনো কেনে ধৰণৰ প্ৰভেদ আনিছে তাকে চাবলৈ।

সেই দিনত থকা মানুহৰ মাজৰ অন্ধবিশ্বাস আৰু দৰিদ্ৰতাৰ কথা ভাবি মই বৰ লজ্জিত হলো।

ডাঙৰ হোৱাৰ লগে লগে আৰু কৰ্ম্মৰ বিনিময়ত মই ভাৰতৰ প্ৰতি বিশেষভাবে আকৃষ্ট হলো! ভাৰতে আমাৰ পৰা কি বিচাৰে এই অনুসন্ধানত মোৰ মন গভীৰভাবে মগ্ন হল। মোৰ মনলৈ আহিল যে পৰাধীনতাৰ জিঞ্জিৰি চিঙ্গি ভাঙ্গি নিজ মনৰ এখন দেশ গঢ়ি জীয়াই থাকিবলৈ।

ভাৰতৰ নিচিনা এখন বিশাল চহকী দেশ, অতীতৰ গৌৰৱ কাহিনীৰে যি ভৰপূৰ এনে এখন বিশাল দেশে হাতে ভৰিয়ে দাসত্বৰ শিকলি বান্ধি এটা নিমাখিত সুদুৰৰ দ্বীপৰ ওচৰত মূৰ দোৱাই থকাতো আৰু তেওঁলোকৰ হাকে হুকুমে ছলাতো মোৰ মনত বৰ লাজৰ আৰু দুখৰ কথা হল। এইবিলাক দূৰ কৰিবলৈ মই আৰু মোৰ দেশৰ সকলো মানুহে একে লগে কাম কৰিব লাগিব।

ভৌগলিক চিনত বাদে ভাৰতবৰ্ষখো কি ? অতীতত কি আছিল। সেইসময়ত ভাৰতে কৰ পৰানো বল পাইছিল ? সেই অতীতৰ তেজ্ববল কেনেকৈনো হেৰুৱালে ? সেই তেজ বল একেবাৰেই লুপ্ত পালে নেকি ? এতিয়া কিবা বিশেষত্ব আছেনে ? ভাৰতৰ জনবলৰ বাহিৰে বৰ্ত্তমান জগতত কেনেকৈ উপযুক্ততাৰ প্ৰমাণ কৰিব ?

এনেবিলাক প্ৰশ্নই ঘনাই ঘনাই মোৰ মনত ভুমুকি মাৰিলেহি। ভবিষ্যতে ভাৰত গঢ়িবলৈ হলে সকলো দেশৰ পৰা সহযোগ, যোগাযোগ, মিত্ৰতা, ব্যৱসায় বাণিজ্য, ৰাজনৈতিক আৰু শিক্ষা দীক্ষা লব লাগিব। ভবিষ্যত অহাৰ আগতেই বৰ্ত্তমান আহিল আৰু বৰ্ত্তমানেই অতীত আৰু ভবিষ্যতৰ সকলো সূচনা কৰিব। গতিকে মই অতীতক বুজি পাবলৈ দেহে কেহে যত্ন কৰিলো।

ভাৰত মোৰ তেজমঙ্গহৰ। সকলো অনুপ্ৰেৰণা মই ভাৰতৰ পৰা পাইছো। তথাপিও মই মিত্ৰতাৰ দৰে সকলো ভেদাভেদ বিচাৰি গৈছো। আৰু মই দেখা অতীতৰ বহু স্মৃতি নগন্যভাবে ধৰিছো। বহুবিষয়ে পশ্চিমীয়া হৈ ভাৰতক চাইছো। মই ভাৰতৰ এটা পৰিবৰ্ত্তন আনিব খোজো। আৰু বৰ্ত্তমান জগতৰ লগত ভাৰতক খাপখুৱাব খোজো। এনে বিলাক ভাব অহাত মোৰ মনতে আকৌ সন্দেহ জন্মে। মোৰ মনত প্ৰশ্ন উঠে মই ভাৰতক সচাঁকৈয়ে চিনি পাইছোনে নাই? প্ৰকৃততে আগৰ পৰাই যদি ভাৰতৰ কিবা বিশেষত্ব নাথাকিলে হয় তেন্তে ভাৰত পৃথিবীৰ জাতি সমূহৰ আগত এনেদৰে প্ৰকাশ হব নোৱাৰিলে হয়। তেন্তে সেই বিশেষত্বনো কি?

মই অতীতলৈ ওভটি গলো। উত্তৰ পশ্চিম কোনত থকা সিন্ধু উপত্যাকাৰ মহেঞ্জদাৰোৰ টিলাত থিয় হলো। চাৰিওকাষে চাই পঠিয়ালো। দেখা পালো অতীজৰ এই নগৰ খনৰ ঘৰবিলাক, ৰাস্তা আৰু পদূলিবিলাক। পাঁচ হাজাৰ বছৰৰ আগেয়ে সজোৱা এইয়া ঘৰ দুৱাৰ, আলি পদূলি। সেই সভ্যতা পুৰণা সভ্যতা আৰু অতি উন্নত ধৰণৰ আছিল। প্ৰফেচৰ শীল্ডে লিখিছে—"সিন্ধু নদীৰ সভ্যতা অতি উন্নত সভ্যতা। এই সভ্যতাই গভীৰ মনোবিকাশৰ পৰিচয় দিছে। এই সভ্যতা বহু কষ্ট আৰু ধৈৰ্য্যৰ বলতহে যেন গঢ়ি উঠিছে। এই সভ্যতাৰ দিনত ভাৰতৰ লগত পাৰচীয়াণ, গ্ৰীক্ ইজীপ্ত, চীন আৰব আৰু মধ্য এচিয়া আদি বহু দেশৰ মহাদেশৰ মানুহৰ যোগাযোগ আছিল। ভূমধ্য সাগৰৰ কুলবৰ্ত্তী মানুহৰ লগতো ভাৰতৰ মিল

আছিল। এই মিলনে ইজনে সিজনৰ ওপৰত প্ৰভাৱ পেলাইছিল। ভাৰতীয় সভ্যতাতো আন দেশৰ প্ৰভাৱ নপৰাকৈ থকা নাছিল। যদিও পৰিছিল তথাপি ভাৰতীয় সভ্যতাৰ কোন সালসলনি নহল। এই ভাৰতীয় সভ্যতাৰ শক্তিৰ গুপুত ৰহস্য কি? আৰু ক'ৰ পৰা এই সভ্যতা আহিছিল?

মই ভাৰতৰ বহু অতীত বুৰঞ্জী পঢ়িছো। ইয়াৰ সভ্যতা আৰু সভ্যতাত মই মুগ্ধ। মই সুদূৰৰ পৰা অহা চীনা পৰিব্ৰাজ আৰু মধ্য এশিয়াৰ পৰিব্ৰাজক সকলে ভাৰতৰ বিষয়ে লিখি থৈ যোৱা সকলো কিতাপকে পঢ়িছো। ভাৰতে দিয়া সভ্যতা পূব এশিয়া, আঙ্কুৰা বৰবুড়ুৰ আৰু আন আন ঠাইৰ সভ্যতাৰ গুণাগুণ সমূহ বিচাৰ কৰোঁ। মই হিমালয় ভ্ৰমণ কৰিছো। অতীত বুৰঞ্জীয়ে সভ্যতাৰ বুকুত এৰি থৈ যোৱা কাহিনীৰ তথ্য আৰু সভ্যতা বিচাৰিছো। পৰ্ব্বত পাহাৰৰ প্ৰতি থকা মোৰ অন্তৰৰ ভালপোৱাই আৰু কাশ্মিৰৰ লগত থকা মোৰ সমন্ধই পৰ্ব্বত পাহাৰৰ বুকুলৈ মোক আকৰ্ষণ কৰিলে। মই পাহাৰ পৰ্ব্বতৰ শৃঙ্গত থিয় হৈ প্ৰকৃতিৰ বিশালতা আৰু সৌন্দৰ্য্যৰ জীৱন্ত মূৰ্ত্তিকেই মাথো দেখা নাছিলো, দেখিছিলো আৰু লক্ষ্য কৰিছিলো যুগ যুগান্তৰে চলি অহা প্ৰকৃতিৰ কমনীয়তা আৰু জাতীৰ জীৱনৰ লগত মিহলি হোৱা ইতিহাসৰ কথা।

সুদীৰ্ঘ বৃহৎ নদ নদী বিলাক হিমালয়ৰ বুকুভেদি অলঙ্ঘ্য শিলাময় পাহাৰ অতিক্ৰম কৰি মনোমোহা হৈ অকাই পকাই ভাৰতৰ ভৈয়ামলৈ নামি আহি ভাৰতৰ অতীত বুৰঞ্জীৰ পাতনি মেলিছে। সিন্ধু নদীৰ পাৰত অতীত ভাৰতৰ সভ্যতা গঢ়ি উঠিছিল। এই ভাৰত হিন্দুস্থান নামে অভিহিত হৈছিল। সিন্ধু নদীৰ পাৰে পাৰে হাজাৰ হাজাৰ বছৰ ধৰি অশ্বাৰোহী সৈন্য দলে দলে পাৰ হৈ গল। কত জাতি উপজাতি এই সিন্ধু নদীৰ পাৰতেই গঢ়ি উঠিল তাৰ সীমা সংখ্যা নাই। ব্ৰহ্মপুত্ৰ নদে সুউচ্চ পৰ্ব্বতৰ গহ্বৰ বাগৰি হাবি বননিৰ মাজে মাজে কত অতীত কাহিনী বুকুত সামৰি ভাৰতৰ সমতল ভূমিৎ বুকুত বাগৰি

সীমাহীন মহাসাগৰলৈ গতি কৰিছে। বৃন্দাবন মতলীয়া সেই যমুনাৰ পাৰ, সাৰদীয় জোনাকৰ সেই যমুনাৰ বালি, সেই যমুনা নদী যাৰ বুকু অতীতৰ মধুৰ কাহিনীৰে ভৰপুৰ হিমালয়ৰ মধ্যস্থল ভেদি ভাৰতৰ বুকুলৈ বৈ আহিছে। গঙ্গা নদী যি ভাৰতৰ লক্ষ্য লক্ষ্য অগণন নৰ নাৰীৰ অন্তৰ আলোকিত অতীত আৰু বৰ্ত্তমানৰ সভ্যতা একে-দৰেই বৈ গৈ আছে। বহু সাম্ৰাজ্য ৰজা মহাৰজাৰ উত্থান পতন হল এই গঙ্গাৰ বুকুতেই। সকলো নিৰলে বুকুত বান্ধি গঙ্গা একে দৰে বৈয়েই আছে। বিৰাম নাই।

মই অতীতৰ ধ্বংশাৱশেষ পাথৰৰ মূৰ্ত্তি, অজন্তা, ইলোৰা এলিকেণ্টা গুহা, আগ্ৰা, দিল্লী আদি চাই ভাৰতৰ অতীত গৌৰৱ অনুভৱ কৰিছো। মোৰ জন্মস্থান এলাহাবাদত কুম্ভমেলা চাই আনন্দ উপভোগ কৰিছো। এই কুম্ভমেলাত গোটেই ভাৰতৰ সকলো ঠাইৰে লাখ লাখ মানুহৰ সমাগম হয়। এই কুম্ভমেলাত লাখ লাখ নৰনাৰীয়ে গঙ্গাত স্নান কৰে। এই কুম্ভমেলাৰ বিষয়ে চীনা পৰিব্ৰাজকে অতীত বুৰঞ্জীত লিখি থৈ গৈছে। কি মায়াজালে এই নদীৰ বুকুলৈ হাজাৰ হাজাৰ মানুহৰ মন আকৰ্ষণ কৰি টানি আনিছে ভাবি মই আচৰিত হওঁ। মই ভাৰতৰ সকলো ঠাই ভ্ৰমণ কৰিছো। ভাৰতৰ সকলো বিলাক অতীতৰ দৃশ্যপট মোৰ মনত ফট্‌ফটীয়াকৈ বহি আছে।

মোৰ প্ৰপিতামহসকল জীৱন্ত মূৰ্ত্তি ধৰি মোৰ আগত থিয় হল। এওঁলোক মোৰ আগত আহি হাঁহিছে। উচুপি উচুপি কান্দিছে। আৰু যন্ত্ৰণাত ছট্‌ফটাই ফুৰিছে। সেই সকলে বহু হাজাৰ বছৰ ব্যাপি ভাৰতৰ শিল্প সভ্যতা কেনেকৈ গঢ়ি উঠিছিল। তাৰে ইঙ্গিত দিছে।

ভাৰতৰ হাজাৰ হাজাৰ হুবহু ছবিয়ে মোৰ মানসপটত উপচি পৰিল। যেতিয়াই যি কোনো ঠাই মই পৰিদৰ্শন কৰো তেতিয়াই এই সকলো দৃশ্য মোৰ মানস পটত ভাঁহি উঠে।

যোৱাবছৰ সাৰনাথত মই বুদ্ধদেৱক ধৰ্ম্মপথৰ পথ দেখুৱাই দিয়াকহে

দেখো। সেই ২৫০০ বছৰৰ আগেয়ে কৰা উচ্চাৰণৰ ধ্বনি যেন এতিয়াও শুনি আছো।

অশোকৰ শিলৰ স্তম্ভই আৰু গাতে লিখি থোৱা লিখনিয়ে ভাষাৰ চমৎকাৰ উদাহৰণ মোৰ আগত দাঙ্গি ধৰে। অশোক যে এজন সকলোতকৈ ডাঙৰ ৰজা আছিল তাক বঢ়িৱাকৈ বুজাই দিয়ে।

ফটেপুৰচিক্রিত সম্রাট আকবৰে তেওঁৰ সাম্রাজ্যৰ সিংহাসনত বহি সকলো ধৰ্ম্মৰে শিক্ষাবিদ সকলক লৈ আলোচনাত মগ্ন। এওঁলোকে মানুহৰ অনাদি অনন্তকালৰ বিষয়ে গবেষণা কৰিছে। এনেকেয়েই সম্পূর্ণ ভাৰতৰ ছবি সম্মুখত উদ্ভাসিত হৈ শতঘাট প্রতিঘাট আৰু জয় পৰাজয়ৰে পাতনি মেলিছে। সমাজৰ গাঠনিত মই দেখা পাইছো ৫০০০ হাজাৰ বছৰৰ পৰা চলি অহা কিছুমান বুৰঞ্জীৰ ঐক্যতান আক্রমণ আৰু উত্থন পতণ।

চাৰিওফালে বিয়পি পৰা ভাৰতৰ খ্যাতি ভাৰতে ক্রমান্বয়ে হেৰুৱাই আহিল। শেষত দাসত্বৰ শিকলি হাতে গলে বান্ধি বৃটীশৰ কিনা গোলাম হল। সেই পাঁচ হাজাৰ বছৰৰ স্বপ্নই মোৰ আগত আহি এটা নতুন নক্সা দাঙ্গি ধৰিলেহি। আৰু বৰ্ত্তমানৰ গধূৰ বোজাৰ কিছু উপশম্ কৰিলে।

ভাৰতত বৃটীশৰ শাসন ১৮০ বছৰ। ই ভাৰত বুৰঞ্জীৰ এটা অস্থৃথীয়া অলাগতীয়াল চং বা ভাওঁ। সেই কাৰণেই মোৰ দেশৰ প্রতি হোৱা ভাবধাৰা প্রায়েই উদ্বেগপূর্ণ। এই ভাব শেষত স্বভাৱত পৰিণত হল। বহু মানুহৰ ক্ষেত্রত এই চেলু সীমাবদ্ধ প্রায় নাথাকেই। মোৰ দিনত জাতীয়তাবাদ ভাৰতত অপৰিহাৰ্য্য অঙ্গ হল। ই প্রকৃতি-গত আৰু অতি আৱশ্যকীয়। যি কোনো প্রজাৰেই দেশৰ স্বাধীনতাৰ কাৰণে অহা খেদ অতি মূল্যৱান।

বৰ্ত্তমান পৃথিবীত ঘটা-ঘটনাই দেশৰ স্বজাতীয়তাবাদক ক্রমান্বয়ে হ্রাস পেলাই সমগ্র পৃথিবীৰ জাতীয়তাবাদত লগ লাগিছে। নিচেই ক্ষীণ জাগৰণ বিলাক নোহোৱা হৈছে।